# India-China consultations on UNSC Issues

February 09, 2021

---

# ৰাষ্ট্ৰ সংঘ সুৰক্ষা পৰিষদৰ বিষয়সমূহৰ ওপৰত ভাৰত-চীন আলোচনা

ফেব্ৰুৱাৰী 09, 2021

1. ভাৰত আৰু চীনে আজি ৰাষ্ট্ৰ সংঘ সুৰক্ষা পৰিষদৰ বিষয়সমূহৰ ওপৰত দ্বি-পক্ষীয় আলোচনা অনুষ্ঠিত কৰে ভি টি চি মঞ্চ ব্যৱহাৰ কৰি।

2. চীন প্ৰতিনিধিত্বৰ নেতৃত্ব কৰে চীন বিদেশ বিষয়ক মন্ত্ৰালয়ৰ আন্তঃৰাষ্ট্ৰীয় সংগঠন আৰু সন্মিলন বিভাগৰ প্ৰধান অধিকৰ্তা, মিঃ য়েং তাওৱে। শ্ৰী প্ৰকাশ গুপ্তাই, যুটীয়া সচিব (ইউ এন পি আৰু সন্মিলন) ভাৰতীয় প্ৰতিনিধিত্বৰ নেতৃত্ব কৰে বিদেশ বিষয়ক মন্ত্ৰালয়ৰ পূৱ এচিয়া (ই এ) আৰু ৰাষ্ট্ৰ সংঘ অৰ্থনৈতিক আৰু সামাজিক (ইউ এন ই এছ) বিভাগ আৰু নিউ য়ৰ্কৰ স্থায়ী ভাৰত অনুষ্ঠান আৰু বেইজিংৰ ভাৰত দূতাবাশৰ বিষয়াসকলৰ সৈতে।

3. দুয়ো পক্ষই ৰাষ্ট্ৰ সংঘ সুৰক্ষা পৰিষদৰ কাৰ্য-সূচীৰ এক বহল পৰিসৰৰ বিষয়সমূহৰ ওপৰত আলোচনা কৰে। ভাৰতীয় প্ৰতিনিধিত্ব চীন পক্ষক নিজৰ ৰাষ্ট্ৰ সংঘ সুৰক্ষা পৰিষদৰ কাৰ্যকালৰ সময়ত ভাৰতৰ অগ্ৰাধিকাৰৰ বিষয়ে অৱগত কৰে। দুয়ো পক্ষই ৰাষ্ট্ৰ সংঘ সুৰক্ষা পৰিষদৰ কাৰ্য-সূচীৰ মূল বিষয়সমূহৰ ওপৰত নিজৰ যোগাযোগ অব্যাহত ৰাখিবলৈ মান্তি হয়।

**নতুন দিল্লী**
**ফেব্ৰুৱাৰী 09, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.